ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

# OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# WINTER SESSION

## VOL. VI c

**NO. 2 — 22**

3.

4.

5. La
and

6. Obi

7. Ad

The 26th November, 1984

1987

t Assam Govt. (Mini) Press, Dispur, Guwahati-781006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1984

(Winter Session)

**Volume VI**

No. 2

Dated, the 26th November, 1984

Contents — Pages


| | Contents | Pages |
|---|---|---|
| 1. | Questions ... ... | 1—7 |
| 2. | Report of the Business Advisory Committee ... | 8 |
| 3. | Panel of Chairmen ... | 8 |
| 4. | Laying of Ordinances, Reports, Statements, etc. ... | 9 |
| 5. | Laying of Statement, Under Rule 69(i) and Introduction of Government Bills. ... | 9–11 |
| 6. | Obituary Reference ... ... | 11–12 |
| 7. | Adjournment ... ... | 12 |

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 26th November, 1984 with the Hon'ble Speaker in the Chair, 13 (thirteen) Ministers, 15 (fifteen) Ministers of State and 59 (fiftynine) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

Date 26th November, 1984

### বি: বানপানীত ক্ষতিগ্ৰস্ত হোৱা খেতিৰ মাটি

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে:

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

*১। ৰঙিয়া ৰাজহ চক্ৰৰ বানপানীত ক্ষতিগ্ৰস্ত কিমান ঘৰ কৃষকৰ মাটি ৰবি শস্যৰ খেতি কৰিবলৈ ট্ৰেক্টৰেৰে চহাই দিয়া হৈছে?

শ্ৰীগোলোক ৰাজবংশী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১। ৰঙিয়া ৰাজহ চক্ৰৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত বিনা মূলিয়াকৈ ৰবি শস্য খেতি কৰিবলৈ ট্ৰেক্টৰেৰে এতিয়াও মাটি চহাই থকা হৈছে। ১৫।১১।৮৪ ইং তাৰিখলৈ ট্ৰেক্টৰেৰে মাটি চহোৱাৰ খতিয়ান তলত দেখুৱা হল।

(১) প্ৰথম মৈ দিয়া — ২৫৩৬ বিঘা

(২) দ্বিতীয় মৈ — ৮৬৭ বিঘা

ইয়াৰ ফলত ১২৬৮ বান বিধ্বস্ত পৰিয়াল উপকৃত হৈছে।

শ্ৰীপূৰ্ণ বড়ো:— মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ১২৬৮ টা বানবিধ্বস্ত পৰিয়াল উপকৃত হৈছে। মই জানিব বিছাৰিছো এই বানবিধ্বস্ত কৃষক সকলৰ মাটি চহোৱাৰ ক্ষেত্ৰত কিবা চৰ্ত্ত আৰোপ কৰা হৈছিল নেকি?

শ্ৰীগোলক ৰাজবংশী (কৃষি মন্ত্ৰী):— চৰ্ত নাই কিন্তু কিছুমান নৰম কৰি দিয়া হৈছে। যিবিলাক লোক বানপানীত ক্ষতিগ্ৰস্ত হৈছে যিবিলাকৰ মাটি চহাবৰ কাৰণে গৰু নাই তেওঁলোকক দুখীয়াকৈ মাটি দিয়াৰ ব্যৱস্হা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— দুবিঘাকৈ মাটি চহাই দিয়াৰ ব্যৱস্থা কৰিছে বুলিছিলো কিন্তু আমি জনাত যিবিলাক মানুহৰ ৫ বিঘা বা তাতোকৈ বেছি মাটি বানপানীত ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ মাটি ট্ৰেক্টৰেৰে চহাই দিয়াৰ ব্যৱস্থা কৰা নাই। আনহাতে কোৱা হৈছে যে ২০ বিঘা মাটিৰ কম হলে তালৈ ট্ৰেক্টৰ নাযায়, ২০ বিঘাৰ ওপৰত মাটি হব লাগিব। সমবায় ভিত্তিত দেখুওৱা স্বত্বেও ট্ৰেক্টৰ তালৈ যোৱা নাই।

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— সেইটো কথা নহয়। আচলতে আমাৰ কনচোলিডেটেড কৰা হৈছে, এখন ট্ৰেক্টৰেতো অ'ত ত'ত ঘূৰি ফুৰিব নোৱাৰে গতিকে দুবিঘা দুবিঘাকৈ গোটেইখিনি মাটি লগ কৰি চহোৱা হৈছে। কাৰোবাৰ যদি একেলগে মাটিও নাই ওচৰৰ মাটি দেখুৱালেও তাক চহাই দিয়া হৈছে আৰু তাৰ ফচলো পাব।

শ্ৰীপূৰ্ণ বড়ো :— ট্ৰেক্টৰাইজেচন কৰা হৈছে, সমবায় ভিত্তিত যি সকলে খেতি কৰিব আগবাঢ়িছে ৰবিশস্য তেওঁলোকক বিজ দিয়া হৈছে নে নাই ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— মাটি চহোৱা যিবিলাকৰ হৈছে বিজ পাইছে, মাটি এতিয়াও বহুত চহাবলৈ বাকী আছে।

শ্ৰীপূৰ্ণ বড়ো :—আমি জনাত বিজ সমবায় বিলাকে পোৱা নাই।

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :—আমি এতিয়ালৈকে বৰঙা মহকুমাত ১৯ হাজাৰ কুইন্টল এলোট কৰিছো ইয়াৰে ১০ কুইন্টল গৈ পাইছে আৰু বিতৰণো কৰা হৈছে মই নিজে দেখি আহিছো।

শ্ৰীমধুৰা ডেকা :— মন্ত্ৰী মহোদয়ে জনাব নে পদাৰতলা গাওঁ পঞ্চায়তৰ পৰা ৮৫ বেগ বিধান চুৰি হৈছে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) — এইটো বেলেগ প্ৰশ্ন কৰিব লাগিব।

শ্ৰীপূৰ্ণ বড়ো :— কিমান ট্ৰেক্টৰেৰে মাটি চহোৱা হৈছে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— ৩১ খন ট্ৰেক্টৰেৰে চহোৱা হৈছে।

শ্ৰীমধুৰা ডেকা :— বৰঙা মহকুমাত ৫০ খন ট্ৰেক্টৰ দিয়া কথা আছিল, মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) :—তেনেকুৱা কোনো কমিটমেণ্ট নাই। গোটেই অসমতে মাত্ৰ ২০০ খন ট্ৰেক্টৰ আছে তাৰে বৰঙা মহকুমাতে ৫০ খন দিলে বেলেগ ফালে অসুবিধা হব।

শ্ৰীমধুৰা ডেকা :— বৰঙা মহকুমাৰ মহকুমাধিপতিৰে সভাপতিত্বত বহা সভাত তেখেতে ৫০ খন ট্ৰেক্টৰ দিয়াৰ সিদ্ধান্ত হৈছে বুলি কৈছে, এতিয়া ৩০ খন কিয় দিলে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— ট্ৰেক্টৰ থাকিলেহে পাব, আমি তেনেকুৱা কমিটমেণ্ট কৰা নাই।

শ্ৰীজয়নাল আবেদিন :— গোটেই অসমত বান বিধ্বস্ত অঞ্চল বিলাকত কিমান খনকৈ ট্ৰেক্টৰ দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :—বেগেল প্ৰশ্ন লাগিব।

শ্ৰীমধুৰা ডেকা :— বান বিধ্বস্ত অঞ্চল বিলাকত ভি, এল, ই দাব্লিউ, অৰ্থাৎ গ্ৰাম সেৱক বিলাকে লিষ্ট তৈয়াৰ কৰি আনিছে, আৰু সেই মতেহে দিয়া হৈছে এই কথা সচাঁ নে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— লিষ্ট ভি, এল, ই, দব্লিউৱে কৰা নাই আমি ৰাজহ বিভাগৰ পৰাহে আনিছো।

শ্ৰীমথুৰা ডেকা :— যি ঠাইত বানপানী উঠা নাই সেই ঠাইৰ মানুহৰ মাজতো বিধান বিতৰণ কৰা হৈছে। এই কথা সচাঁ নে?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— বানপানীৰ হিচাব ৰাজহ বিভাগেহে দিব আমি কব নোৱাৰিম।

শ্ৰীমথুৰা ডেকা :— ৰাজহ বিভাগক সুধিলে কয় আমি নাজানো, মহকুমাধিপতিয়ে নাজানে, এডিচিয়ে ভি, এল, ই, দব্লিউৰ দ্বাৰা কৰাইছে। গতিকে স্পষ্টকৈ জানিব বিছাৰিছো কোনে কৰিছে?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— ভি, এল, ই, দব্লিউৰ কথা নহয়, গাওঁ পঞ্চায়তৰ সভাপতি, কাউন্সিলৰ, মণ্ডল কাননগো সকলোৰে লগ হৈ কৰিছে তাকে ৰাজহ বিভাগে অনুমোদন জনাইছে।

শ্ৰীপূৰ্ণ বড়ো :— মাটি চহাবৰ কাৰণে কৃষক সকলৰ পৰা ম্যাদি পট্টা বিছৰা হৈছে। আমি জনাত ক্ষতি গ্ৰস্ত বহুত কৃষকৰ ম্যাদি পট্টা নাই।

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— ম্যাদি পট্টা বিচৰা বুলি আমি এতিয়ালৈকে কোনো ওজৰ আপত্তি পোৱা নাই।

শ্ৰীমথুৰা ডেকা :—ভি, এল, ই, ডব্লিউ কিবা লিষ্ট কৰিছে নে নাই এই বিষয়ে কিবা তদন্ত কৰিব নে?

শ্ৰীগোলোক ৰাজবংশী(মন্ত্ৰী) :— ভি, এল, ই, ডব্লিউৱে কৰা বুলি খবৰ পোৱা নাই। আমি জনাত গাওঁ পঞ্চায়তৰ সভাপতি কাউন্সিলৰ, এক্সটেনচন অফিচাৰ তেওঁলোকে লগ হৈ কৰিছে।

শ্ৰীহেমেন দাস :—মই মন্ত্ৰী মহোদয়ৰ লগত একমত হব নোৱাৰিলো। বৰপেটা মহকুমাত মই নিজে জনাত বানপানীৰ ক্ষতিগ্ৰস্ত কৃষকৰ লিষ্ট গ্ৰাম সেৱক সম্প্ৰসাৰণ বিষয়াই তৈয়াৰ কৰি ৰবি শস্যৰ বিজ বিতৰণ কৰিছে। অকল বৰপেটা জেলাতেই কৰা হৈছে নে অন্যান্য জিলাতো কৰা হৈছে মই সেইটো নাজানো।

শ্ৰীগোলক ৰাজবংশী :— (মন্ত্ৰী) কত কেনেকৈ কৰিছে আমি নাজানো, ভি,এল, ই, ডব্লিউৱে কৰক বা আন কৰক কিন্তু ৰাজহ বিভাগে অনুমোদন জনাব লাগিব।

শ্ৰীহেমেন দাস :— মোৰ প্ৰশ্ন হৈছে, নীতিৰ ক্ষেত্ৰত দায়িত্ব কাক দিয়া হৈছে? এঠাইত দেখিলো কৃষি বিভাগৰ গ্ৰাম সেৱক সম্প্ৰসাৰণ বিষয়াই লিষ্ট তৈয়াৰ কৰিছে আন ঠাইত ৰাজহ বিভাগে সৰভোগৰ এচ, ডি, চিয়ে কলে যে মই এই বিষয়ে একো নাজানো। বিভাগে বিতৰণ কৰিছে। কিন্তু কমলপুৰত দেখিলো ৰাজহ বিভাগৰ দায়িত্বত হৈছে।

শ্ৰীগোলক ৰাজবংশী (কৃষি মন্ত্ৰী) :— মই আগতেই কৈছো, যিয়ে লিষ্ট তৈয়াৰ নকৰক কিয় ৰাজহ বিভাগৰ অনুমোদন লাগে।

শ্ৰীহেমেন দাস :— মোৰ প্ৰশ্ন হৈছে দায়িত্ব কাক দিয়া হৈছে?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— ৰাজহ বিভাগক দায়িত্ব দিয়া হৈছে।

শ্ৰীহেমেন দাস :— বৰপেটা জিলাত কৃষি বিভাগক দিয়া হৈছে। তেওঁলোকে লিষ্ট কৰিছে

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— গোটেই দায়িত্বটো উপায়ুক্তৰ হাতত দিয়া হৈছে, তেওঁ- লোকে এচ, ডি, চিৰ যোগেদি কৰক বা কৃষি বিভাগৰ বিষয়াৰ যোগেদি কৰক সহযোগিতা সকলোৰে বিছাৰিব পাৰে। কিন্তু আচল দায়িত্ব টো উপায়ুক্তৰ হাতত।

Shri Md. UMARUDDIN :—May I know, Sir, what is the total area that has been tractorised in the Rangiya circle and what area has been brought under wheat culti- vation or other cultivation ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— মই আগতেই কৈছো ১৫।১১।৮৪ তাৰিখ পৰ্য্যন্ত ৰঙিয়া ৰাজহ চক্ৰত ১২৬৮ টা বান বিধ্বস্ত পৰিয়াল উপকৃত হৈছে।

Shri Md. UMARUDDIN — Where is the reply ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— গম কিমান দিয়া হৈছে হিচাব নাই।

বি : পুঠিমাৰী নৈৰ জলসিঞ্চন আচনি ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুঠিমাৰী নৈৰ ১ম, ২য়, ৩য়, ৪ৰ্থ আৰু ৫ম চেকচনৰ ভিতৰত পানী যোগান যন্ত্ৰ কিমান বহুৱা হৈছে ?

(খ) পানী যোগান আটাই বোৰ কাৰ্য্যক্ষম অৱস্থাত আছেনে ?

(গ) যদি নাই, পথাৰত পানী যোগান কেনে ভাবে হৈছে জনাবনে ?

(ঘ) অচল পানী যোগান যন্ত্ৰ সমূহ কিমান বছৰ আগৰ পৰা অচল হৈ আছে জনাবনে ?

(ঙ) যন্ত্ৰ সমূহ ৰক্ষণাবেক্ষণৰ কাৰণে চকিদাৰ ৰখা হৈছে নে ?

শ্ৰীজোহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

২। (ক) পুঠিমাৰী নৈক তেনে কোনো চেকচনত বিভক্ত কৰা হোৱা নাই। হলেও এই নৈৰ ওপৰতে ৪টা উত্তোলিত জলসিঞ্চন আচনিৰ ৩৩টা পাম্প চেন্টাৰত ৬৫টা ২০ অশ্ব শক্তি সম্পন্ন পানী যোগান যন্ত্ৰ (পাম্প চেট) বহুৱা হৈছিল।

(খ) ২৩ টা পানী যোগান যন্ত্ৰ (পাম্প চেট) কাৰ্য্যৰত অৱস্থাত আছে।

(গ) কাৰ্য্যক্ষম অৱস্থাত নথকা ৪২ টা পাম্প চেটৰ অন্তৰ্গত পথাৰত পানীৰ যোগান ব্যাহত হৈ আছে।

(ঘ) অচল হৈ থকা পানী যোগান যন্ত্ৰ সমূহৰ তালিকা এনে ধৰণৰ —

১৯৭৯ চনত ২ টা

| | |
|---|---|
| ১৯৮০ চনত | ৮ টা |
| ১৯৮১ চনত | ১৭ টা |
| ১৯৮২ চনত | ৫ টা |
| ১৯৮৩ চনত | ৭টা |
| ১৯৮৪ চনত | ৩টা |
| মুঠ — | ৪২ টা |

(ঙ) বৰ্ত্তমানে ওৱৰ্ক চাৰ্জ খালাচি/হেল্পাৰ আৰু মাষ্টাৰ ৰ'লত ৰখা লোকক ৰাতিৰ পহৰাদাৰ হিচাবে কাম চলাবলৈ দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো, এই যে ২৩ টা পাম চলি থকা বুলি কৈছে কোন ঠাইত কোন কোন পথাৰত মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— ধুহি বিজুলি উত্তোলন জলসিঞ্চন ১ টা, গুৱাহাটী উত্তোলন জলসিঞ্চন ৬ টা, কমলপুৰ উত্তোলন জলসিঞ্চন ১১ টা, তিতকুৰি ২ নং এটা, বৰবিলা ১টা, বৰুৱাজান নং ২ ২টা, দলং ২টা, কেতেকী বাৰী ২টা, মোখনীয়া দুটা, ডিজেন পাৰ এটা, বৰডেক পাৰ ১টা, দলং ১নং ২ টা।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এই যে দলংত যন্ত্ৰটো যে চলি থকা বুলি কোৱা হৈছে সেইটো সচা নহয় যন্ত্ৰটো নাইয়েই। বৰবিলাৰ যিটো কথা কৈছে, মই আহবান কৰিছো সদনৰ সকলো সদস্যই তালৈ গলে দেখিব, পামটো মামৰে ধৰিছে, মাটিৰ তলত পৰি আছে।

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— বৰবিলাত নাই মোৰ উচ্ছাৰণ কৰাত ভুল হৈছে।

শ্ৰীমথুৰা ডেকা :— যি কেইটা আৰ্চানৰ কথা কৈছে, এই বিষয়ে মই মন্ত্ৰী মহোদয়ক কেইবাদিনো লগ ধৰি কৈছো, দলঙৰ কথা কৈছে তাত ড্ৰেইনৰে ঠিক হোৱা নাই পানী যোগান দিয়া বুলি কেনেকৈ কলে নাজানো। এই বিষয়ে মন্ত্ৰী মহোদয়ক কেবাখনো আবেদন দিছো।

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :— মোৰ ৰিপোৰ্টমতে ২৩ টা চলি আছে বুলি কৈছে।

শ্ৰীমথুৰা ডেকা :— মই আৰু বেছি প্ৰশ্ন কৰিব খোজা নাই, ২৩ টাই হওঁক বা ৪৬ টাই হওঁক চলি আছেনে নাই তেখেতে নিজে এবাৰ চাই আহিব নেকি ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :— মই অলপতে যাম।

Starred Question No. 3 was not put member being absent.

Re : **Embankment of Puthimari and Baralia River**

Shri PURNA BORO asked :

4. Will the Minister, Flood Control be pleased to state.—

(a) Whether Government is aware of the fact that the Puthimari and the Baralia Embankments were breached at Barbila and at a place in between Doichapara and Purna Khundum village in the month of September last ?

(b) If so, what steps have been taken for repairing of the breached portions of the Embankments ?

Shri RANENDRA NARAYAN BASUMATARY (Minister, Flood Control) replied :

4. (a)—Yes.

(b)—Breached portion have been temporarily closed in order to avoid further spilling of water.

শ্ৰীপূৰ্ণ বড়ো :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো পুথিমাৰী বৰলীয়া অঞ্চলত যি ঠাইত মঠাউৰী ভাঙিলে তাত আগতে কিবা ব্যৱস্থা কৰিছিল নে ? কাৰণ সেইটো এইা ভালনাৰেবল পইন্ট সেই ঠাই টুকুৰা কেকুৰীৰ দৰে পানী বাঢ়িলেই সেই দোখৰত পানীৰ হেচা পৰে কাজেই ভঙাৰ সম্ভাৱনা বেছি হয়। গতিকে পানী বঢ়াৰ লগে লগে তাত কিবা প্ৰটেকটিভ মিজাৰ লৈছিল নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰণ মন্ত্ৰী) :— যোৱা চেপ্তেম্বৰ মাহত ১৪, ১৫, ১৬ তাৰিখে যেতিয়া তাত পানী বাঢ়ে আৰু ঘটনাটো ঘটে তাৰ আগতে পানী বাঢ়ি থাকোতে সেই ঠাই ডোখৰত গছ গছনী পেলাই বালিৰ বস্তা আদি দি প্ৰটেকটিভ মিজাৰ লোৱা হৈছিল। কিন্তু এই নদী খন ওপৰৰ পৰা অহা কাৰণে তাৰ পানীৰ যিটো গতি বেগ সেই গতিবেগে সেই ঠাই ডোখৰ খহাই লৈ গল। ৰক্ষা কৰিবৰ কাৰণে আমাৰ কৰ্ম্মচাৰী সকল তাত উপস্থিত আছিল।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে এই ভালনাৰেবল পইন্টত যদি শিলৰ স্পাৰ নিৰ্ম্মাণ কৰিলেহেতেন তেনেহলে হয়তো এই ঠাইত পানীয়ে নেভাঙিলেহেতেন। কিন্তু মন্ত্ৰী মহাদয়ে কৈছে যে তাত গছ-গছনি আৰু বালিৰ বস্তা দিয়া হৈছিল। গতিকে এইটো ভাঙি গৈছে। এতিয়া অস্থায়ী ব্যৱস্থাৰ কাৰণে যি ব্যৱস্থা হাতত লৈছে তাৰ বাহিৰে অন্য কিবা স্থায়ী ব্যৱস্থা লোৱা হৈছেনেকি জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, স্থায়ী ব্যৱস্থাৰ কাৰণে আমি ব্যৱস্থা হাতত লম। ইতিমধ্যে এই বিষয়ত চাৰ্ভেও কৰা হৈছে আৰু টেকনিকেলি যিটো ফিজিবোল হয় সেই মতে আমি ব্যৱস্থা লম।

শ্ৰীপূৰ্ণ বড়ো :— এই ঠাই ডোখৰ কিমান দীঘলকৈ ভাঙিছে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, পুথিমাৰীৰ ভাঙিছে ৪০০ মিটাৰ আৰু বৰলীয়াত ভাঙিছে ৫০০ মিটাৰ।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে পানীয়ে ভঙা এই অংশ কেইটা কেতিয়াকৈ সম্পূৰ্ণ কৰা হব আৰু ইয়াৰ বাবে কিমান টকাৰ প্ৰয়োজন হব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, ইতিমধ্যে টেম্পৰেৰী ৰেষ্টৰেচনৰ কাৰণে ব্যৱস্হা কৰিছো। তাৰ বাবে বৰ্তবিৰাত এক লাখ পঞ্চাশ হেজাৰ টকা খৰচ কৰা হৈছে। আৰু ইয়াৰ স্হায়ী ব্যৱস্হাৰ কাৰণে প্ৰায় ১৬ লাখ টকাৰ প্ৰয়োজন হব। সেইদৰে বৰলীয়াৰ ভঙা অংশটো স্হায়ী ব্যৱস্হাৰ কাৰণে প্ৰায় ১৫ লাখ টকাৰ প্ৰয়োজন হব। এই ব্যৱস্হাৰ কাৰণে টেকনিকেল এক্সপাৰ্টে দাখিল কৰাৰ লগে লগে আমি কাম আৰম্ভ কৰিম।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ আপুনি আমাক অলপ সময় দিলে ভাল হয় কিয়নো সময় যথেষ্ট আছে। এই বিষয়টোত মোৰ প্ৰথম কথা হল যে ৰঙিয়াত বৰ্ত্তমান যিজন ই, এন্ডডিৰ এচ, দি,অ' আছে তেওঁ এচ, দি, অ' আৰু অভাৰচিয়াৰ থকা অৱস্হাত কিমানবাৰ বান্ধটো ভাঙিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— মই জনা মতে এবাৰেই ভাঙিছে।

শ্ৰীমথুৰা ডেকা ঃ— তেওঁ অভাৰচিয়াৰ হৈ থকা অৱস্হাত তিনিবাৰ মথাউৰিটো ভাঙিছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— তেওঁ তাত এচ, ডি, অ' হৈ থকা ১ বছৰ ৩ মাহহে হৈছে। আৰু মথাউৰিটো এবাৰেই ভাঙিছে।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১২ তাৰিখে যেতিয়া ধাৰাষাৰ বৰষুণৰ ফলত বৰলীয়াৰ পানী পাৰ ভাঙি বাগৰি গৈছিল তেতিয়া স্হানীয় ৰাইজে ৰঙিয়ালৈ গৈ এই বিষয়া জনক বানপানীৰ কথা জনাইছিল। তেতিয়া তেওঁ ক'ত আছিল আৰু ৰাইজক কি ব্যৱহাৰ কৰিছিল ?

শ্ৰীৰণেন্দ্ৰ নায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— মধ্যক্ষ মহোদয়, এচ, ডি, অ' সেই সময়ত নৈৰ পানীয়ে যি সময়ত অঞ্চলটো বিপদাপন্ন কৰি তুলিছিল তেওঁ তাতেই আছিল। আৰু আমাৰ ৰাইজো তালৈ গৈছিল।

শ্ৰীমথুৰা ডেকাঃ— অধ্যক্ষ মহোদয়, এই বিষয়টোত এটা তদন্ত কৰাৰপ্ৰয়োজন বোধ কৰিছো। কিয়নো এচ, ডি, অ'যদি তাত আছিলেই তেনেহলে ৰাইজে ৰঙিয়ালৈ কিয় খোজ কাঢ়ি যালগীয়া হৈছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই স্হানীয় ৰাইজৰ লগতেই কথা বতৰা পাতি জানিব পাৰিছো যে বিষয়াজন সেই সময়ত তাতেই আছিল।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, পুথিমাৰী নদীৰ বান্ধ থকা অৱস্হাতো এই ডেৰ লাখ টকা কিয় খৰচ কৰা হৈছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, পুথিমাৰী নৈৰ পানী বাগৰি ওচৰৰ হাজাৰ হাজাৰ বিঘা মাটি যেতিয়া প্লাবিত কৰি পেলালে তেতিয়া অস্হায়ী ব্যৱস্হা হিচাবে এই টকা খৰচ কৰিবলগীয়া হল।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, প্ৰকৃততে এইটো সচা নহয়। পুথিমাৰী নৈৰ পানী যেতিয়া শুকাই তললৈ গৈছিল তেতিয়াহে এই ব্যৱস্হা হাতত লোৱা হৈছিল। তাৰ কাৰণে কিছুমান ঠিকাদাৰক এই কাম দি ৰাতি ১২টা বজাত এই কাম কৰা হৈছিল। এই ডেৰ লাখ টকা অবাবত খৰচ নকৰি স্হায়ী ব্যৱস্হা হাতত লোৱা হলে ৰাইজৰ উপকাৰ হলহেতেন।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, নৈৰ পানী বাগৰি থকা অৱস্হাতেই তাক বন্ধ কৰিবৰ কাৰণে এই ব্যৱস্হা হাতত লোৱা হৈছিল।

Mr. Speaker.—Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Commitee in my Chamber at Dispur at 10.30 A. M. on 24th November, 1984. The Committee after discussion decided that the meeting of the current session of the Assembly which commenced on 23rd November, 1984 should continue till 5th December, 1984. There will be altogether 6 working days and all these days will be devoted for transacting Government Business. Out of these 6 Government days, one day has already been devoted for obituary reference and out of the remaining 5 days one day will be devoted for Supplementary Demands for Grants and Supplementary Appropriation including passing of the Appropriation Bill relating to Supplementary Demands for Grants and Supplementary Appropriation, one day for Government Resolution, two days for consideration and passing of Government Bills and remaining one day for other Government Business.

A copy of the calendar for the meetings of the current session has already been circulated amongst the Members of the House.

I hope this has the approval of the House.

(Voices : Yes, yes).

Item No. 3.

## PANEL OF CHAIRMEN

Under Rule 9(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the Panel of Chairmen for the present Session of the Assembly :

1. Shri Altaf Hossain Mozumdar,
2. Shri Silvius Condpan,
3. Shri Hemen Das,
4. Shri Devanand Konwar.

Item No. 4.

Shri LUIS ISLARI (Minister of State, Education).—Sir, I beg to lay the Asom Rastrabhasa Prachar Samiti (Taking over of Management and Control) Ordinance, 1984 (Assam Ordinance No. IV of 1984).

Mr. SPEAKER : Item No. 5.

Shri MOHAMMAD IDRIS ( Minister, Finance )—Sir, I beg to lay the Assam Contingency Fund (Amendment) Ordinance, 1984 (Assam Ordinance No. V of 1984).

Mr. SPEAKER : Item No. 6.

Shri HITESWAR SAIKIA ( Chief Minister ).—Sir, I beg to lay the Code of Criminal Procedure (Assam Amendment) Ordinance, 1984 (Assam Ordinance No. VI of 1984).

Mr. SPEAKER : Item No. 7.

Shri JIBAKANTA GOGOI (Minister of State, Industries).—Sir, I beg to lay the Third Annual Report, 1982-83 of the Assam State Textile Corporation Limited.

Mr. SPEAKER : Item No. 8.

Shri ABDUL MUHIB MAZUMDAR (Minister, Power) Sir, I beg to lay the Annual Financial Statements (Part-I & II) of Assam State Electricity Board for the year 1984-85.

Mr. SPEAKER : Item No. 9.

Shri MOHAMMAD IDRIS (Minister, Finance)—Sir, I beg to present the list of Supplementary Demands for Grants and Supplementary Appropriations for the year 1984-85.

Mr. SPEAKER : Now item No. 10.

## LAYING OF STATEMENTS UNDER RULE 69(1) AND INTRODUCTION OF GOVERNMENT BILLS

Shri HITESWAR SAIKIA (Chief Minister).—Sir, I beg to lay a Statement under Rule 69(I) of the Rules of Procedure and Conduct of Business in Assam Legislative

Assembly explaining the circumstances which had necessitated immediate legislation by Ordinance, i. e, the Asom Rastrabhasa Prachar Samiti ( Taking over of Management and Control ) Ordinance, 1984 ( Assam Ordinance No. IV of 1984 ).

Mr. SPEAKER : Item No. 11.

Shri HITESWAR SAIKIA (Chief Minister).—Sir, I beg leave to introduce the Asom Rastrabhasa Prochar Samiti (Taking over of Management and Control) Bill, 1984.

Mr. SPEAKER : Is it the pleasure of this August House to grant leave to introduce the Asom Rastrabhasa Prachar Samiti (Taking over of Management and Control) Bill, 1984.

The leave is granted.

Shri HITESWAR SAIKIA (Chief Minister).—Sir, I beg to introduce the Bill.

(Secretary, A.L.A :—Read out the Title of the Bill.)

Mr. SPEAKER :— Now item No. 12.

Shri MOHAMMAD IDRIS (Minister, Finance)—Sir, I beg to lay a Statement under Rule 69(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by Ordinance, i. e., the Assam Contingency Fund ( Amendment ) Ordinance, 1984 (Assam Ordinance No. V of 1984.)

Mr. SPEAKER : Item No. 13.

Shri MOHAMMAD IDRIS (Minister, Finance).—Sir, I beg leave to introduce the Assam Contingency Fund (Amendment) Bill, 1984.

Mr. SPEAKER :—Is it the pleasure of this August House to grant leave to introduce the Assam Contingency Fund (Amendment) Bill, 1984.

The leave is granted.

Here is a Message from Raj Bhavan.

RAJ BHAVAN

Dated Guwahati, the November 17, 1984.

Under the Provision of Article 207(1) of the Constitution of India I, Bhishma Narain Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Contingency Fund (Amendment) Bill, 1984.

Sd/-BHISHMA NARAIN SINGH,
Governor of Assam.

Shri MOHAMMAD IDRIS (Minister, Finance).—Sir, I introduce the Bill.

(Secretary— A. L. A., Read out the Title of the Bill.)

## OBITUARY REFERENCE

Mr. SPEAKER : Now item No. 14.

I rise to condole the sudden and sad death of Shri Yeshwantrao Balwantrao Chavan.

Born on March 12, 1913 in Sangli district of Maharastra, Shri Chavan was educated at Rajaram College and Law College, Pune. He was awarded honorary degree of Doctorate by Aligarh, Marathawada and Shivaji Universities.

He was a noted political and social worker and participated in the Freedom Struggle. He suffered imprisonment twice during 1930-34 and 1942-45 for actively participating in Civil Disobedience Movement.

Shri Chavan's parliamentary career began in 1946 when he was elected to Bombay Legislative Assembly. He served as a Parliamentary Secretary to Minister, Home Department. Later he became the Minister, Civil Supplies, Forests Community Projects, etc. He became the Chief Minister of Bombay State in 1956 and Maharastra State in 1960-62. He joined the Union Cabinet in 1962 and held the Defence portfolio at a crucial period.

Shri Chavan continued to hold the ministerial responsibilities in the capacity of Finance Minister and Minister of External Affairs. He became the Deputy Prime Minister-in-charge of Home Affairs in 1979. He was appointed as Chairman, Eighth Finance Commission.

He was keenly interested in the advancement of education and co-operation. He founded the District Co-operative Bank at Satara. He was closely connected with a number of voluntary organisations. He was the founder of 'Lok Kranty', a weekly and 'Prakash' a daily paper.

Shri Chavan was an able administrator, a statesman and a Veteran Congress Leader. He died on 25th November, 1984 at the age of 71 due to brief illness. We deeply mourn his death and convey our heartfelt condolences to the bereaved family.

I now request all Hon'ble Members to rise in their seats to observe 2 minutes silence as a mark of respect to the departed soul.

(The Members rose in their seats and observed two minutes silence).

The House stands adjourned till 10 A.M. on 27th November, 1984.

## ADJOURNMENT

The House then rose at 10-40 A. M. and stood Adjourned till 10 A. M. on Tuesday, the 27th November, 1984.

Dated Dispur :
The 26th November, 1984.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP [Mini] L. A. 61/87 1500– 1-8-87